GOVT. OF ASSAM

# STATE LEVEL RESEARCH PAPER COMPETITION

Under the aegis of Indigenous and Tribal Faith and Culture Department, Govt. of Assam
organized by the Directorate of Indigenous and Tribal Faith and Culture,Assam

অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ সৌজন্যত
আৰু খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি সঞ্চালকালয়,অসমৰ উদ্যোগত

## ৰাজ্যিক ভিত্তিত গৱেষণা পত্ৰ প্ৰতিযোগিতা

**Topic : Influence of Nature on Indigenous and Tribal Faith and Culture of Assam**

বিষয় : অসমৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতিত প্ৰকৃতিৰ প্ৰভাৱ

| |
|---|
| 1st Prize/ ১ম বঁটা : ₹ 75,000/- and Citation/আৰু মানপত্ৰ |
| 2nd Prize/২য় বঁটা : ₹ 50,000/- and Citation/ আৰু মানপত্ৰ |
| 3rd Prize/৩য় বঁটা : ₹ 30,000/- and Citation/ আৰু মানপত্ৰ |

**Detail guidelines & documents to be enclosed/** বিতং নিয়মাৱলী আৰু সংলগ্ন কৰিবলগীয়া নথি :

1. The participant must be a resident of Assam/ অংশগ্ৰহণকাৰী অসমৰ বাসিন্দা হ'ব লাগিব।
2. The participant must be an educationist/ research scholar employed/enrolled in a recognized educational / research institution of Assam. অংশগ্ৰহণকাৰী অসমৰ স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠান/ গৱেষণা অনুষ্ঠানত কৰ্মৰত/নিয়োজিত শিক্ষাবিদ অথবা উক্ত অনুষ্ঠানৰ অধীনৰ গৱেষক ছাত্ৰ-ছাত্ৰী হ'ব লাগিব।
3. Minimum qualification is Post Graduation in any discipline. ন্যুনতম শিক্ষাগত অৰ্হতা স্নাতকোত্তৰ মহলা উত্তীৰ্ণ হ'ব লাগিব।
4. Each participant will submit only one research paper for the competition. One or more indigenous and tribal community can be taken into the ambit of research. Protection, preservation and promotion of indigenous and tribal faith and culture of Assam should be emphasized. প্ৰতিগৰাকী অংশগ্ৰহণকাৰীয়ে এখনকৈহে গৱেষণা পত্ৰ দাখিল কৰিব পাৰিব। এটা বা একাধিক খিলঞ্জীয়া আৰু জনজাতীয় গোষ্ঠীক গৱেষণাৰ পৰিসৰলৈ আনিব পাৰিব। অসমৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতিৰ সুৰক্ষা, সংৰক্ষণ আৰু প্ৰসাৰৰ বিষয়টোত গুৰুত্ব আৰোপিত হোৱাটো বাঞ্ছনীয়।
5. Language of research paper: Assamese or English. Word limit is between 8000 to 10,000. The research paper must be neatly typed in double space on one side of A4 paper with 12-point letters in case of English and 14-point letters in case of Assamese. Other than the title of the paper, the actual research paper must not contain the name and address of the participant. The name, address and other details of the participant should be neatly typed only on the cover page. গৱেষণা পত্ৰৰ ভাষা : অসমীয়া অথবা ইংৰাজী। শব্দসংখ্যা ৮০০০ৰ পৰা ১০,০০০। এ৪ কাগজৰ এপিঠিত দুগুণ দূৰত্বৰ শাৰীত ইংৰাজী

Contd.2

আখৰ ১২ আৰু অসমীয়া আখৰ ১৪ আকাৰত পৰিষ্কাৰকৈ মুদ্ৰিত কৰা হ'ব লাগিব। মূল গৱেষণা পত্ৰত শিৰোনামৰ বাহিৰে অংশগ্ৰহণকাৰীৰ নাম,ঠিকনা উল্লেখ কৰিব নোৱাৰিব, গৱেষণা পত্ৰৰ প্ৰচ্ছদ পাততহে অংশগ্ৰহণকাৰীৰ নাম,ঠিকনা আৰু অন্য তথ্য উল্লেখ কৰিব লাগিব।

6. It has been proposed to publish an anthology of selected research papers submitted in the competition. The Directorate of ITFC,Assam will reserve the right to edit the research papers selected for the anthology wherever required and the copyright of the same will vest with the Directorate of ITFC,Assam. The participants will not have the right to use the research papers selected for the anthology for any purpose on their own. The name and address of the researcher will be properly mentioned in the anthology. এই প্ৰতিযোগিতাত দাখিল কৰা উন্নত মানৰ নিৰ্বাচিত গৱেষণা পত্ৰৰ সংকলন এখনি প্ৰকাশ কৰাৰ পৰিকল্পনা কৰা হৈছে। এই সংকলনৰ বাবে নিৰ্বাচিত গৱেষণা পত্ৰ প্ৰয়োজন সাপেক্ষে সম্পাদনা কৰি প্ৰকাশ কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব তথা প্ৰকাশৰ বাবে নিৰ্বাচিত গৱেষণা পত্ৰৰ সম্পূৰ্ণ স্বত্ব খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি সঞ্চালকালয়,অসমৰ হাতত ন্যস্ত থাকিব আৰু সংকলনৰ বাবে নিৰ্বাচিত গৱেষণা পত্ৰ অংশগ্ৰহণকাৰীয়ে নিজাববীয়াকৈ কোনো উদ্দেশ্যত ব্যৱহাৰ কৰিব নোৱাৰিব। সংকলনত প্ৰকাশৰ বাবে বিবেচিত গৱেষণা পত্ৰৰ গৱেষকৰ নাম-ঠিকনা উপযুক্তভাৱে উল্লেখ কৰা হ'ব।

7. Persons intending to participate in the competition will first have to mail a PDF of an Abstract with Keywords on the proposed topic of research (maximum word limit 300, typed in double space on one side of A4 paper with 12-point letters in case of English and 14-point letters in case of Assamese) to researchitfc2025@gmail.com by 14th August ,2025 mentioning name, educational qualification, designation, detail official and residential address, email address and mobile phone/WhatsApp number. He/she will be communicated by the Directorate, ITFC vide email about the acceptance/rejection of the Abstract by 30th August ,2025. The person whose Abstract is accepted, he/she will be eligible to submit application and research paper with required documents for the competition. প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক ব্যক্তিয়ে প্ৰথমতে গৱেষণাৰ বিষয়বস্তুৰ ওপৰত সূচক শব্দ উল্লেখ কৰি ৩০০ শব্দৰ ভিতৰত এটি সংক্ষিপ্ত টীকা এ৪ কাগজৰ এপিঠিত দুগুণ দূৰত্বৰ শাৰীত ইংৰাজী আখৰ ১২ আৰু অসমীয়া আখৰ ১৪ আকাৰত পৰিষ্কাৰকৈ মুদ্ৰিত কৰি researchitfc2025@gmail.com ইমেইল ঠিকনালৈ ১৪ আগষ্ট,২০২৫ তাৰিখৰ ভিতৰত নাম, শৈক্ষিক অৰ্হতা,পদবী, অনুষ্ঠান তথা বসবাসৰ বিতং ঠিকনা, ইমেইল ঠিকনা আৰু ভ্ৰাম্যভাষ / হোৱাটচ্এপ নম্বৰ উল্লেখ কৰি প্ৰেৰণ কৰিব লাগিব। সংক্ষিপ্ত টীকা গৃহিত / নাকচ হোৱা সম্পৰ্কে ৩০ আগষ্ট ,২০২৫ তাৰিখৰ ভিতৰত ইমেইলযোগে এই সঞ্চালকালয়ৰ তৰফৰ পৰা অৱগত কৰা হ'ব। সংক্ষিপ্ত টীকা গৃহিত হ'লে ব্যক্তিগৰাকীয়ে প্ৰতিযোগিতাৰ বাবে প্ৰয়োজনীয় নথিসহ আবেদন পত্ৰ আৰু গৱেষণা পত্ৰ দাখিল কৰাৰ বাবে যোগ্য বিবেচিত হ'ব।

8. The application form and detail guidelines for the competition will be available in websites https://itfc.assam.gov.in and https://itfcdirectorate.assam.gov.in or can be obtained by sending a mail to researchitfc2025@gmail.com. প্ৰতিযোগিতাৰ নিৰ্ধাৰিত আবেদন প্ৰপত্ৰ https://itfc.assam.gov.in আৰু https://itfcdirectorate.assam.gov.in ৱেবচাইটত ত উপলব্ধ হ'ব আৰু researchitfc2025@gmail.com লৈ ইমেইল কৰিও সংগ্ৰহ কৰিব পাৰিব।

Contd.3

9. Detail procedure to submit the application and enclosures to researchitfc2025@gmail.com : researchitfc2025@gmail.com লৈ সংলগ্ন নথিৰ সৈতে আবেদন পত্ৰ ইমেইল কৰাৰ বাবে বিতং প্ৰক্ৰিয়া :
   (a) Filled up application format with photograph, prescribed self-declaration and certificate of the Head of the institution as a single PDF file. আলোকচিত্ৰ, আত্মঘোষণা আৰু অনুষ্ঠানৰ মূৰব্বীৰ প্ৰত্যায়ন পত্ৰৰ সৈতে আবেদনপত্ৰৰ এটা পি.ডি.এফ ফাইল।
   (b) Copy of self-attested Aadhaar card as a single PDF file. আধাৰ কাৰ্ডৰ স্বপ্ৰত্যায়িত প্ৰতিলিপিৰ এটা পি.ডি.এফ ফাইল।
   (c) Copy of self-attested Post Graduation certificate as a single PDF file. স্নাতকোত্তৰ পৰীক্ষা উত্তীৰ্ণৰ প্ৰমাণপত্ৰৰ স্বপ্ৰত্যায়িত প্ৰতিলিপিৰ এটা পি.ডি.এফ ফাইল।
   (d) Cover page of research paper as a single PDF file. গৱেষণা পত্ৰৰ প্ৰচ্ছদ পাতৰ এটা পি.ডি.এফ ফাইল।
   (e) Research paper as a single PDF file. গৱেষণা পত্ৰৰ এটা পি.ডি.এফ ফাইল।
10. The last date for submission of research papers along with application in prescribed format with enclosures is 29th November,2025. For any query 9365108720 may be contacted. নিৰ্ধাৰিত আবেদন প্ৰপত্ৰ আৰু প্ৰয়োজনীয় নথিৰ সৈতে গৱেষণা পত্ৰ দাখিল কৰাৰ অন্তিম তাৰিখ ২৯ নৱেম্বৰ,২০২৫। যিকোনো তথ্যৰ বাবে যোগাযোগৰ নম্বৰ ৯৩৬৫১০৮৭২০।
11. The results of the competition will be published through departmental websites, newspapers and social media handles. The participants whose papers are selected for the first three positions as well as the participants whose papers are selected for the anthology will also be contacted personally. প্ৰতিযোগিতাৰ ফলাফল বিভাগীয় ৱেবচাইট, বাতৰি কাকত আৰু সামাজিক মাধ্যমৰ মঞ্চযোগে প্ৰকাশ কৰা হ'ব। যিসকল প্ৰতিযোগীৰ গৱেষণা পত্ৰ প্ৰথম তিনিটা স্থানৰ বাবে নিৰ্বাচিত হয়, আৰু সংকলনত প্ৰকাশৰ বাবে নিৰ্বাচিত হয় সেইসকল প্ৰতিযোগীক ব্যক্তিগতভাৱেও যোগাযোগ কৰা হ'ব।

সঞ্চালক,
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি,অসম,
২য় মহলা, ব্লক ৫, হাউচফেড কম্প্লেক্স, দিছপুৰ, গুৱাহাটী-৬